বৃন্দা যুগ বিপি যুগ আৰু যুগ কৰ্ম্ম।
তবে লোক সবে সদা কবি কৰ্ম্ম ধৰ্ম্ম॥
ব্ৰহ্মাণ্ড ঈশ্বৰ সেহি কালে আছিলন্ত।
তাহান চৰণে লোকে সদায়ে চিন্তন্ত॥
তাহাৰ উপৰে আছিলে যুগ চাৰি।
আছিলেক সেহিকালে কদম্ব মুৰাৰি॥
ৰবি চণ্ড নামে যুগ আৰু যুগ কাল।
আহিল পৰশুদ্ধ যুগ কৃত মাল॥
আহিলন্ত যুগ শুনা আৰু তাত পৰে।
যুগন্ধৰ নামে সৃষ্টি কৰন্ত ঈশ্বৰে॥
হৰি কৃৰ্ত্ত নামে যুগ আৰু যুগন্ধৰ।
শ্ৰী যুগ নামে আৰু যুগৰ ঈশ্বৰ॥
ইহাৰ উপৰে যুগ শুনা নৰেশ্বৰ।
শ্ৰীধৰ নামেসে এই যুগ ঈশ্বৰৰ॥
কৰে দান পুণ্য প্ৰজা সবে শুদ্ধ মনে।
নাই চোৰ চোৰুলোক ধৰ্ম্মত প্ৰপুণ্য॥
আতে শ্ৰেষ্ঠ কবি আৰু যুগ যে আছয়।
কাল কৃষ্ণ নামেতেহে সৃষ্টিক কৰয়॥
আৰু শুনিয়োক যুগ তাত পৰে আছে।
এহি বুলি কহিবে লাগিলা কথা পাছে॥
ঋষি যুগ বিতি যুগ যুগ কালন্তক।
বিষ্ণো কৃৰ্ত্তি নামে তাতে দেখে ঈশ্বৰক॥

কৰিলন্ত কৃষ্ণে আৰু ভোজন ব্যৱহাৰ।
অল্প কৰি কিছু কথা কহো শুনা তাৰ॥
আঙ্গুলিত ফল বামহাতে লৈয়া গ্ৰাস।
গোপ শিশু সকলক কৰি উপহাস॥
কোন ফল আঙ্গুলিত লৈলা দেৱ হৰি।
শুনিয়োক নৃপতি তাক মন থিৰ কৰি॥
মুকুতি লভিয়া লোক আছে যত যত।
নোখজন্তে প্ৰভু নিয়া তাহাঙ্ক দিবন্ত॥
এতেকেসে পূৰ্ণহৰি হাতে লৈলা তাক।
ভাগ্যত বিচাৰি পাই কহিলোহো আক॥
চয়খান বৈকুণ্ঠত শুভিয়া থাকয়।
যেনমতে বৃন্দাবনে আসি ভৈলা ভয়॥
ব্ৰহ্মাদেৱে উদ্ধ মুখে অভাগ্য বভিলা।
অন্যায় বচন মহাদেৱে যে শুনিলা॥
টান কৰি মাৰিলন্ত টোকৰ মুণ্ডত।
চিণ্ডি আসি পৃথিবীত ভৈলন্ত পৰ্ব্বত॥
অন্য কোন গৈল সিতো শিলা ৰূপ ধৰি।
সেহিসে কাৰণে-তাক পৰশীলা হৰি॥
শুনা সভাসদ কথা আত অনন্তৰে।
আৰু কথা কহিবাক লৈলন্ত শঙ্কৰে॥
দেৱ মত ঋষি মত আৰু ৰাজ মত।
এহি তিনি মতে পৰি আছে লোক যত॥

কৰিলন্ত কৃষ্ণে আৰু ভোজন ব্যৱহাৰ।
অল্প কৰি কিছু কথা কহো শুনা তাৰ॥
আঙ্গুলিত ফল বামহাতে লৈয়া গ্ৰাস।
গোপ শিশু সকলক কৰি উপহাস॥
কোন ফল আঙ্গুলিত লৈলা দেৱ হৰি।
শুনিয়োক নৃপতি তাক মন থিৰ কৰি॥
মুকুতি লভিয়া লোক আছে যত যত।
মোখজন্তে প্ৰভু নিয়া তাহাঙ্ক দিবন্ত॥
এতেকেসে পূৰ্ণহৰি হাতে লৈলা তাক।
ভাগৱত বিচাৰি পাই কহিলোহো আক॥
চয়খান বৈকুণ্ঠত শুতিয়া থাকয়।
যেনমতে বৃন্দাবনে আসি ভৈলা ভয়॥
ব্ৰহ্মাদেৱে উদ্ধ মুখে অভাগ্য বভিলা।
অন্যায় বচন মহাদেৱে যে শুনিলা॥
টান কৰি মাৰিলন্ত টোকৰ মুণ্ডত।
চিণ্ডি আসি পৃথিবীত ভৈলন্ত পৰ্ব্বত॥
অন্য কোন গৈল সিতো শিলা ৰূপ ধৰি।
সেহিসে কাৰণে- তাক পৰশীলা হৰি॥
শুনা সভাসদ কথা আত অনন্তৰে।
আৰু কথা কহিবাক লৈলন্ত শঙ্কৰে॥
দেৱ মত ঋষি মত আৰু ৰাজ মত।
এহি তিনি মতে পৰি আছে লোক যত॥

